# বাইবেল পৰ্য্যালোচনা, প্ৰথম ভাগ - ৬৬খন কিতাপৰ জৰীপ যিবোৰ ঈশ্বৰৰ বাক্য

**ল'ৰা-ছোৱালীক শিকোৱা সকলে B3b পাঠ্যটো পঢ়া উচিত।**

**১। বাইবেলৰ প্ৰত্যেক ভাগ মন কৰক আৰু জ্ঞানসন্মতভাৱে ব্যৱহাৰ কৰক।**

**প্ৰাৰ্থনা ঃ** "ঈশ্বৰৰ আত্মা, তোমাৰ বাক্যৰ বিভিন্ন ভাগবোৰ বুজি পাবলৈ মোক সহায় কৰা যেন মই তোমাৰ মেৰবিলাকক সেইবোৰ জ্ঞানসন্মতভাৱে প্ৰয়োগ কৰিবলৈ সহায় কৰিব পাৰো।"

**(ক) বাইবেলৰ সত্যতা -**

- বাইবেল হৈছে দুটা বিশেষ ভাগত থকা ঈশ্বৰৰ বাণী। প্ৰথম ভাগটো হৈছে পূৰণি নিয়ম - অৰামীয়া আৰু ইব্ৰীভাষাত লিখা ৩৯খন কিতাপ ইয়াত আছে। গ্ৰীক ভাষাত লিখা নতুন নিয়মত ২৭খন পুস্তক আছে।



- পুৰণি নিয়মে ইস্ৰায়েল সকলক যীচুৰ আগমনৰ বাবে যুগুত কৰিছিল। ই তেওঁলোকক আত্মিক বিষয়বস্তুৰ প্ৰাথমিক জ্ঞান দিছিল আৰু তেওঁলোকৰ নিজ সামৰ্থ্যৰে যে তেওঁলোকে ঈশ্বৰৰ বিধিবোৰ মানি চলিব নোৱাৰে সেই বিষয়ে শিক্ষা দিছিল।
- নতুন নিয়মত যীচুৰ জীৱনৰ আৰু কৰ্ম্মৰ আৰু তেওঁৰ প্ৰথম অনুসৰণকাৰীসকলৰ কাৰ্য্যবোৰ লিপিবদ্ধ কৰা আছে।

**(খ) পুৰণি নিয়ম আৰু নতুন নিয়ম, দুয়োখনতে থকা সাহিত্যৰ নমুনাবোৰ**

**পুৰণি নিয়ম**

- **নিয়মৰ মূল** - ই হৈছে পৃথিৱীৰ আৰম্ভণি, আদিসকলৰ আৰু ঈশ্বৰৰ পুৰণি বিধি বিধানৰ বুৰঞ্জী। ৫খন মোচিয়ে লিখা কিতাপ, আদিপুস্তকৰ পৰা দ্বিতীয় বিৱৰণলৈকে।
- **বুৰঞ্জীমূলক** - পুৰণি ইস্ৰায়েল জাতিবিলাকৰ কাহিনী থকা কিতাপ ১২খন, যিহোচুৱাৰ পৰা ইষ্টেৰলৈকে।
- **ভক্তিমূলক আৰু নিৰ্দেশনামূলক কিতাপ** - ইব্ৰী কবিতা, ইয়োবৰ পৰা চলোমনৰ পৰমগীত।
- **ভৱিষ্যৎবাণী** - পুৰণি নিয়ম সাহিত্যিক ভাববাদী - ১৭খন পুস্তক, যিচয়াৰ পৰা মলাখী।

**গণনাপুস্তক ১২ঃ৬-৮** পদত চাওক কেনেকৈ ঈশ্বৰে মোচিৰ লগত কথা বতৰা হৈছিল।

**দ্বিতীয় বিৱৰণ ৩৪ঃ১০** পদত কেনেকৈ ঈশ্বৰে মোচিক আন আন ভাববাদী সকলৰ লগত তুলনা কৰিছিল চাওক।

**যোহন ১ঃ১৭** পদত চাওক ঈশ্বৰে মোচীক কেনেকৈ যীচুৰ লগত তুলনা কৰিছিল। পুৰণি নিয়মত মোচিয়েই আটাইতকৈ মহান ভাববাদী আছিল। বাকী যিসকল ভাববাদী আছিল তেওঁলোকে মোচিৰ বিধানবোৰ বহলাই বুজাই লিখিছিল আৰু প্ৰয়োগ কৰিছিল।

**নতুন নিয়ম**

- **নিয়মৰ মূল** - যীচুৰ কৰ্ম্ম আৰু শিক্ষা মথিৰ পৰা যোহনলৈ চাৰিখন কিতাপ।
- **বুৰঞ্জীমূলক,** পঠোৱা সমাজ ১পুস্তক, পাচনিৰ কৰ্ম্ম।
- **ভক্তিমূলক আৰু শিক্ষামূলক,** নতুন সমাজ আৰু চলাওঁতা সকললৈ লিখা পত্ৰ। ৰোমীয়াৰ পৰা যিহূদালৈকে।
- **ভাৰবাণীমূলক,** পাঁচনি যোহনৰ দৰ্শন ১পুস্তক, প্ৰকাশিত বাক্য।

**(গ) পাচেঁাটা বাইবেল সম্বন্ধীয় নিয়ম-চুক্তি মানুহৰ লগত ঈশ্বৰৰ সম্বন্ধৰ ক্ষেত্ৰত পথ প্ৰদৰ্শক।**

১। আদমৰ লগত, আদমৰ পৰা অব্ৰাহামলৈকে নিজৰ বিবেকৰে নিজকে দমন কৰাৰ যি নিয়ম চুক্তি, আদিপুস্তক ১-১২

**মূল ঃ** ঈশ্বৰে প্ৰথম মানুহক কৈছিল যে তেওঁ যদি ভাল বেয়া জ্ঞান দিওঁতা জীৱন বৃক্ষৰ ফল খায়, তেওঁ নিশ্চয়ে মৰিব। চয়তানে মিছা ক'লে, -"তুমি নমৰিবা, কিন্তু ঈশ্বৰৰ নিচিনা হ'বা।" আদিপুস্তক ২ঃ১৬-১৭ আৰু ৩ঃ৫ পদ।

**পৰিণাম ঃ** আদমে অবাধ্য হোৱাৰ পাচত মানুহে ভাল-বেয়া কি জানিলে। পুৰণি আৰু নতুন দুয়োটা নিয়মৰে প্ৰতিটো যুগত চয়তানে মানুহক তেওঁলোকৰ মানবীয় প্ৰচেষ্টাৰে সম্পূৰ্ণতা পাবলৈ জোৰ দিছে, যাতে তেওঁলোকৰ মৃত্যু হয়, বিচাৰ হয় আৰু ধ্বংস হয়। তেওঁত ভাৰসা কৰা লোকসকলক ঈশ্বৰে সদায় ৰক্ষা কৰি আহিছে, যিদৰে হেবলে এটি নিৰ্দোষী বলি তেজৰ বলি স্বৰূপে উৎসৰ্গ কৰিছিল। জলপ্লাৱনৰ পিছত ঈশ্বৰে হত্যাকাৰীবিলাকক মৃত্যু দণ্ডৰে দণ্ডিত কৰি শাস্তি বিহিবলৈ মানুহ জাতিক আদেশ দিছিল। আদিপুস্তক ৯ঃ৬।

যদি আদমে নিৰ্দেশ অমান্য কৰে তেন্তে ঈশ্বৰে কি হ'ব বুলি কৈছিল সেই বিষয়ে আদিপুস্তক ২ঃ১৬-১৭ পদত চাওক।

২। অব্ৰাহামৰ লগত বিশ্বাসৰ দ্বাৰাই অনুগ্ৰহৰ যি নিয়ম স্থাপন কৰিছিল সেইয়ে বাইবেলৰ বাকী অংশলৈকো চলি আছে (আদি পুস্তক ১২ অধ্যায়)।

**মূল ঃ** অব্ৰাহামে ঈশ্বৰৰ প্ৰতিজ্ঞাক বিশ্বাস কৰিছিল আৰু ঈশ্বৰে তেওঁৰ বিশ্বাসক ধাৰ্ম্মিকতা বুলি গণ্য কৰিছিল। আদিপুস্তক ১২ঃ১-৩ আৰু আদিপুস্তক ১৫ঃ১-৬ পদ।

**পৰিণাম ঃ** অব্ৰাহামৰ বংশধৰ, যীচুৰ যোগেদি সকলো জাতিৰ লোককে ঈশ্বৰে আশীৰ্ব্বাদ কৰিছে।

- বাইবেলৰ অন্তিম পৰ্য্যায়লৈকে যি সকলো ঘটিল, সেই সকলো হৈছে এই প্ৰতিজ্ঞাৰ পৰিপূৰ্ণতা। পুৰণি আৰু নতুন নিয়ম এই দুয়োখনেই অব্ৰাহামৰ লগত ঈশ্বৰৰ যি নিয়ম চুক্তি হৈছিল তাৰ ভিত্তিতেই লিখা।
- পূৰণি আৰু নতুন নিয়ম দুয়োটাতে ঈশ্বৰে বিশ্বাসীলোক সকলক তেওঁৰ পৰিবৰ্ত্তিত অনুগ্ৰহৰ দ্বাৰাই ৰক্ষা কৰিছে।

৩। বিধানৰ দ্বাৰাই পুৰণি নিয়ম চলোৱা হৈছিল, যাত্ৰাপুস্তক ২০ অধ্যায়ৰ পৰা পুৰণি নিয়মৰ শেষলৈকে।

**মূল ঃ** ঈশ্বৰে চিনয় পৰ্ব্বতত মোচিৰ দ্বাৰাই ইস্ৰায়েল জাতিক পুৰণি নিয়মবিধি প্ৰদান কৰিছিল।

**পৰিণাম ঃ** যীচুৰ বাহিৰে আন কোনেও পুৰণি নিয়মৰ বিধি সম্পূৰ্ণভাবে পালন কৰা নাছিল। পাপে অনন্ত জীৱন নহয়, মৃত্যুকহে আনিলে। মোচিৰ বিধানে কেবল জাগতিক আৰু ক্ষন্তেকীয়া পুৰস্কাৰহে প্ৰতিজ্ঞা কৰিছিল। ই মানুহবিলাকক তেওঁলোকৰ প্ৰয়োজনীয়খিনি ক্ষমা কৰি দিয়াৰ বিষয়েহে শিকায়।

- ঈশ্বৰে আশ্বৰ্য্যজনক ভাবে ইস্ৰায়েলসকলক মিচৰৰ দাসত্বৰ পৰা উলিয়াই লৈ আহি ঈশ্বৰৰ দ্বাৰা মুক্তি পোৱা এক নতুন জাতি গঠন কৰিলে।
- নতুনকৈ মুক্ত হোৱা জাতিটো মৰুভূমিত বিচৰণ কৰি আছিল আৰু উপযুক্ত শাসনৰ উদ্দেশ্যে বিধানৰ প্ৰয়োজন হৈছিল; যাত্ৰাপুস্তক ১৮-২০।

৪। দায়ুদৰ লগত আহিবলগা মচীহৰ বিষয়ে কৰা নিয়ম, ২ চমুৱেল ৭ঃ৮-১৭ পদ।

**মূল ঃ** ঈশ্বৰে ৰজা দায়ুদক এই বুলি প্ৰতিজ্ঞা কৰিছিল যে তেওঁৰ বংশৰ এজন লোকে ন্যায়েৰে সৈতে জাতিবিলাকক চিৰকাললৈকে শাসন কৰিব।

**পৰিণাম ঃ** দায়ুদৰ বংশৰ অভিষক্ত যীচুৱে পুৰণি আৰু নতুন দুয়োটা নিয়ম শাস্ত্ৰত থকা আটাইবোৰ প্ৰতিজ্ঞা অতি নিখুত ভাবে পৰিপূৰ্ণ কৰিলে। বাইবেলত আন ব্যক্তিতকৈ দায়ুদ আৰু যীচুৰ বিষয়ে বেচিকৈ উল্লেখ আছে।

কাৰ সিংহাসনৰ সৈতে ঈশ্বৰে তেওঁৰ অনন্তকলীয়া ৰাজ্য স্থাপন কৰিব সেই বিষয়ে যিচয়া ৯ঃ৬-৭ পদত চাওক। (ঈশ্বৰে এই বিষয়ে দায়ুদৰ হাজাৰ বছৰৰ পিচত আৰু খ্ৰীষ্টৰ হাজাৰ বছৰৰ আগতেই যিচয়াৰ আগত প্ৰকাশ

কৰিছিল।)

যীচুৰ শিষ্যসকলে এনে কি সাক্ষ্য দান কৰিছিল যিহৰ দ্বাৰাই তেওঁলোকে প্ৰমান কৰিছিল যে ঈশ্বৰে পঠোৱা বিশেষ ব্যক্তিজন হৈছে যীচু। মথি ৩ঃ১৬-১৭ পদ চাওক।

৫। আটাই বিশ্বাস, আটাই কেইখন নতুন নিয়মৰ কিতাপৰ লগত স্থাপন কৰা নতুন নিয়ম চুক্তি এটি সম্পূৰ্ণ আৰু অনন্তকলীয়া স্বৰ্গৰাজ্য।

**মূল ঃ** প্ৰভুৰ ভোজ স্থাপন কৰাৰ সময়তেই যীচুৱে আনুষ্ঠানিক ভাবে এই নতুন চুক্তিৰ কথাটো ঘোষণা কৰিছিল। যীচুৱে তেওঁৰ মৃত্যুৰ দ্বাৰাই, পুনৰুত্থিত হৈ স্বৰ্গলৈ গৈ আৰু আমাৰ লগত বাস কৰিবৰ বাবে পবিত্ৰ আত্মা পঠাই দিয়াৰ দ্বাৰাই ইয়াক স্থাপন কৰিছিল।

**পৰিণাম ঃ** অনুতাপ কৰি খ্ৰীষ্টত বিশ্বাস কৰা প্ৰত্যেকজনেই ঈশ্বৰৰ অনন্তকলীয়া স্বৰ্গৰাজ্যত নতুনকৈ জন্ম লাভ কৰে। বিশ্বাসীসকল খ্ৰীষ্টৰ সাৰ্ব্বজনীন মহান শৰীৰ অংশ হৈ পৰে। যীচুৰ তেজৰ দ্বাৰাই তেওঁলোকে ক্ষমা পালে। তেওঁৰ পুনৰুত্থানৰ ভাগি হৈ তেওঁলোকে নতুন, পবিত্ৰ আৰু অনন্তকলীয়া জীৱন পায়।

নতুন নিয়ম চুক্তিৰ দ্বাৰাই ঈশ্বৰৰ মানুহবিলাকক কেনেকৈ পৰিচালনা কৰা হ'ব সেই বিষয়ে যিৰিমিয়া ৩১ঃ৩১-৩৪ পদত চাওক।

ঈশ্বৰে তেওঁৰ বাক্যবোৰ লিপিবদ্ধ কৰিবলৈ কেনেকৈ মানুহ আৰু ঘটনাবোৰ ব্যৱহাৰ কৰিছিল সেই বিষয়ে যিৰিমিয়া ৩৬ অধ্যায়টো চাওক।

## ২। সপ্তাহটোত কৰিবলগীয়া কামবোৰৰ বিষয়ে সহকৰ্ম্মীৰ সৈতে আঁচনি কৰক।

- দৈনিক বাইবেল পাঠ নকৰা আৰু পৰিয়ালৰ সৈতে প্ৰাৰ্থনা নকৰা এনে এজন বিশ্বাসীৰ ঘৰলৈ গৈ সেই কামটো তেওঁলোকৰ সৈতে কৰক আৰু পৰিয়াল উপাসনা প্ৰতিদিনে কৰিবলৈ আৰম্ভ কৰাত সহায় কৰক।
- যদি বাইবেল আন ভাষালৈ এতিয়াও অনুবাদ কৰা হোৱা নাই বা মানুহবিলাকে পঢ়িব নাজানে, তেনেহ'লে তেনেলোকৰ ঘৰলৈ গৈ বাইবেলৰ কাহিনীবোৰ শিকাত তেওঁলোকক সহায় কৰক যাতে সেইবোৰ পৰিয়াল আৰু বন্ধু-বান্ধবৰ আগত ক'ব পাৰে।

## ৩। হ'বলগা উপাসনা সময়সুচীৰ বিষয়ে সহকৰ্ম্মী সকলৰ সৈতে আঁচনি কৰক।

যিৰিমিয়াৰ নুৰিয়া পুথিৰ কাহিনীটো যিৰিমিয়া ৩৬ পদৰ পৰা কওক নাইবা নাট কৰি দেখুৱাওক।

পাঁচোটা নিয়ম চুক্তি, ফলাফল আৰু মূল চিন্তাধাৰাবোৰৰ বিষয়ে বুজাই দিয়ক।

ল'ৰা-ছোৱালীবিলাকে যুগুত কৰা কবিতা, নাটক আৰু প্ৰশ্নবোৰ আগবঢ়াব দিয়ক।

প্ৰভুৰ ভোজ আৰম্ভ কৰিবৰ বাবে ঈশ্বৰে কেনেকৈ পাপ ঢাকিবৰ বাবে আদম আৰু হৱাৰ পৰা আৰম্ভ কৰি গোটেই বাইবেলত এগৰাকী নিৰ্দ্দোষী লোকৰ তেজ দাবি কৰিছে সেই বিষয়ে বুজাই দিয়ক। এই মূল আত্মিক সত্যক যেতিয়াই প্ৰভুৰ ভোজৰ দ্বাৰাই খ্ৰীষ্টৰ শৰীৰ আৰু তেজত আমি অংশ লওঁ তেতিয়াই সোঁৱৰণ কৰোঁ। ১কৰিন্থীয়া ১০ঃ১৬ পদ।

ঠিক কৰি থোৱা কাৰ্য্যপন্থাৰ বিষয়ে জনাই দিয়ক।

২ বা ৩ জনে মিলি প্ৰাৰ্থনা কৰক।

ঈশ্বৰৰ বাক্য শুদ্ধকৈ ব্যৱহাৰ কৰাৰ বিষয়ে ২তীমথিয় ২ঃ১৫ পদটো মুখস্থ কৰক।

Copyright 2003 © by Paul-Timothy. May be freely copied.
Download from www.Paul-Timothy.net